**প্ৰতিবেদনযোগ্য**

**ভাৰতৰ উচ্চতম ন্যায়ালয়**

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ**

**<u>২০১৬ চনৰ দেৱানী আপীল নম্বৰ ৬১১৯</u>**

**২০১৩ চনৰ বিশেষ অনুমতি আবেদন (চি) নম্বৰ ৩৪২২৫ ৰ পৰা উদ্ভৱ হোৱা**

**মুলিন শৰ্মা** ....... **আপীলকাৰী (সমূহ)**

**বনাম**

**অসম চৰকাৰ আৰু অন্যান্য** ........ **প্ৰতিপক্ষ (সমূহ)**

**<u>ৰায়</u>**

**<u>ন্যায়াধীশ: আৰ কে আগৰৱাল</u>**

(১) অনুমতি প্ৰদান কৰা হ'ল।

(২) এই আপীল ২০১০ চনৰ ১৪ নং আৰু ২০০৯ চনৰ ২২৬ নং লেখ আবেদৰ ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে জাৰি কৰা ২৫/০৭/২০১২ তাৰিখৰ চূড়ান্ত ৰায় আৰু নিৰ্দেশৰ বিৰুদ্ধে কৰা হৈছে। এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ২০১০ চনৰ ১৪নং লেখ আবেদন আংশিকভাৱে মঞ্জুৰ কৰিছিল। ২০০০৪ চনৰ ২৩৫৭ নং লেখ আবেদনত উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠৰ দ্বাৰা গৃহীত ১৯/০১/২০০৭ তাৰিখৰ ৰায় আৰু আদেশক প্ৰত্যাহ্বান জনাবলৈ আবেদনকাৰীয়ে এই আবেদন দাখিল কৰিছিল। ইয়াৰ উপৰিও, উচ্চ ন্যায়ালয়ে উত্তৰদাতাসকলে দাখিল কৰা ২০০৯ চনৰ ২২৬নং লেখ আবেদন নাকচ কৰে।

(৩) চমু বিৱৰণসমূহ:

(i) সংস্কৃতত স্নাতকোত্তৰ ডিগ্ৰীধাৰী আপীলকাৰী মুলিন শৰ্মাই ১৯৯৫ চনত অসমৰ কাৰ্বি–আংলং জিলাৰ ৰংসিনা হাইস্কুলত সহকাৰী শিক্ষক (ধ্ৰুপদী/সংস্কৃত) হিচাপে নিযুক্ত হৈছিল। বিদ্যালয়খনক ১৯৯৬ চনত প্ৰাদেশিকীকৰণ কৰা হৈছিল আৰু লগতে আবণ্টিত সহকাৰী শিক্ষকৰ পদত আপীলকাৰীৰ চাকৰি নিশ্চিত কৰা হৈছিল।

(ii) বিদ্যালয়খনৰ মধ্য ইংৰাজী শাখাৰ প্ৰধান শিক্ষকৰ (প্ৰতিপক্ষ নম্বৰ ৬) পত্নী অৰ্থাৎ প্ৰতিপক্ষ নম্বৰ ৫ –ৰ লগত মতানক্যৰ বাবে ২২.০৫.১৯৯৮ তাৰিখে প্ৰতিপক্ষ নং ৬ আৰু তেওঁৰ লোকসকলে আপীলকাৰীক ভয় দেখুৱাই আৰু জোৰ কৰি পদত্যাগ পত্ৰত স্বাক্ষৰ কৰিবলৈ বাধ্য কৰিছিল আৰু ২৩.০৫.১৯৯৮ চনৰ পৰা তেওঁক দৰমহা দিয়া হোৱা নাছিল।

(iii) আপীলকাৰীয়ে তেওঁৰ পদত্যাগ পত্ৰ আৰু স্বাক্ষৰ বলপূৰ্বকভাৱে আদায় কৰাৰ বিৰুদ্ধে অভিযোগ দাখিল কৰে। তেওঁ বিভিন্ন কৰ্তৃপক্ষক এই ক্ষেত্ৰত ব্যৱস্থা লবলৈ কেইবাটাও অনুৰোধ দাখিল কৰে। যেতিয়া আপীলকাৰীয়ে বলপূৰ্বক পদত্যাগ সন্দৰ্ভত তেওঁৰ অভিযোগৰ কোনো সঁহাৰি নাপালে, তেতিয়া তেওঁ উচ্চ ন্যায়ালয়ত ১৯৯৯ চনৰ ৪০৪৭ নং লেখ আবেদন দাখিল কৰে। উচ্চ ন্যায়ালয়ৰ বিদ্বান এজনীয়া বিচাৰপীঠে ১৬.০৮.১৯৯৯ তাৰিখৰ আদেশেৰে অন্তৰ্বৰ্তীকালীন ব্যৱস্থা হিচাপে নিৰ্দেশ দিছিল যে যদি আপীলকাৰীয়ে প্ৰশ্ন উত্থাপিত বিদ্যালয়খনত কাম কৰি আছে তেন্তে তেওঁক কাম কৰি থাকিবলৈ দিয়া হ'ব।

(iv) লেখ আবেদনখন উচ্চ ন্যায়ালয়ে ১৪.০৭.২০০৩ তাৰিখৰ আদেশৰ জৰিয়তে নিষ্পত্তি কৰিছিল আৰু নিৰ্দেশ দিছিল যে আপীলকাৰী আৰু ইয়াৰ প্ৰতিপক্ষ নং ৪ আৰু ৫– এ ডিফুৰ কাৰ্বি আংলংৰ বিদ্বান উপাযুক্তৰ সন্মুখত হাজিৰ হ'ব লাগিব। পদত্যাগ পত্ৰখন কেনেকৈ জাৰি কৰা আৰু স্বাক্ষৰ কৰা হয় তাৰ সবিশেষ তদন্ত কৰিবলৈ উপাযুক্তক নিৰ্দেশ দিয়া হয়। তেওঁক নিৰ্দেশ দিয়া হৈছিল যে এই তদন্তৰ সময়ত জড়িত দুয়োটা পক্ষকে নিজৰ যুক্তি দাঙি ধৰাৰ সুযোগ দিব লাগে।

(v) কাৰ্বি আংলং, ডিফুৰ উপাযুক্তই তদন্তৰ পিছত আৰু দুয়োপক্ষকে যুক্তিসংগত সুযোগ প্ৰদান কৰাৰ পিছত, ১৬/১০/২০০৩ তাৰিখৰ আদেশত কয় যে ইয়াত আবেদনকাৰীয়ে পদত্যাগ পত্ৰ নিজ ইচ্ছাৰে দাখিল কৰিছিল আৰু ১৪/০৭/২০০৩ তাৰিখৰ আদেশ অনুসৰি, উপযুক্ত কৰ্তৃপক্ষই পুনৰ আপীলকাৰীৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰা লাগিব।

(vi) উপাযুক্তই এনেদৰে গৃহীত কৰা আদেশৰ পিছত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ (কেএএচি) শিক্ষা বিভাগৰ (উচ্চ) উপ সচিবে ১২.০১.২০০৪ তাৰিখৰ আদেশ গৃহীত কৰে। এই আদেশৰ দ্বাৰা তেওঁ ১৬.১০.২০০৩ তাৰিখৰ পৰা অৰ্থাৎ উপাযুক্তই গৃহীত কৰা আদেশৰ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ আপীলকাৰীৰ পদত্যাগ গ্ৰহণ কৰে, এই নিয়মেৰে যে ইয়াত আপীলকাৰীয়ে ২২.০৫.১৯৯৮ তাৰিখৰ পৰা কাৰ্য্যকৰি হোৱাকৈ কোনো ধৰণৰ আৰ্থিক সুবিধাৰ অধিকাৰী নহ'ব যিহেতু উক্ত কৰ্তৃপক্ষৰ মতে তেওঁ ২২.০৫.১৯৯৮ চনৰ পৰা নিজৰ কৰ্তব্যত উপস্থিত নাছিল।

(vii) ডিফুৰ কাৰ্বি আংলং জিলা চক্ৰৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ে ২৭.০১.২০০৪ তাৰিখৰ আন এক আদেশ জাৰি কৰে। আদেশত উল্লেখ কৰা হৈছে যে ৰংচিনা হাইস্কুলৰ ধ্ৰুপদী শিক্ষক শ্ৰীযুত মুলিন শৰ্মাই দিয়া ২২.০৫.১৯৯৮ তাৰিখৰ পদত্যাগ পত্ৰখন ২২.০৫.১৯৯৮ৰ পৰা কাৰ্যকৰী হোৱাকৈ

আৰু কোনো ধৰণৰ আৰ্থিক সুবিধা নিদিয়াৰ সিদ্ধান্ত লৈ গ্ৰহণ কৰা হৈছে কাৰণ শিক্ষকজনে নিজৰ কৰ্তব্যত উপস্থিত নাছিল।

(viii) ২০০৩ চনৰ ১৬ অক্টোবৰত উপায়ুক্তই জাৰি কৰা আদেশত অসন্তুষ্ট হৈ আপীলকাৰীয়ে উচ্চ ন্যায়ালয়ত লেখ আবেদন (২০০৪ চনৰ ২৩৫৭ নং) দাখিল কৰে। উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে ২০০৭ চনৰ ১৯ জানুৱাৰীত আবেদনখন আংশিকভাৱে অনুমোদন জনায়। ন্যায়াধীশে নিৰ্ধাৰণ কৰিলে যে পদত্যাগ স্বেচ্ছামূলক নহয় যদিও তেওঁ আপীলকাৰীয়ে কাম নকৰা সময়ছোৱাৰ বাবে আপীলকাৰীয়ে লাভ কৰিব পৰা দৰমহাৰ বাবে দাবী কৰা সন্দৰ্ভত (Back Wages) কোনো ৰায় দিয়া নাছিল।

(ix) ২০০৭ চনৰ ১৯ জানুৱাৰী তাৰিখৰ আদেশৰ সেই অংশত অসন্তুষ্ট হৈ, যিয়ে ১৯৯৮ চনৰ ২৩ মে'ৰ পৰা ১৯৯৯ চনৰ ১৬ আগষ্টলৈকে সময়ছোৱাৰ বাবে দৰমহাৰ বিষয়ে উল্লেখ কৰা নাছিল, আপীলকাৰীয়ে উচ্চ ন্যায়ালয়ত লেখ আপীল (২০১০ চনৰ ১৪ নং) দাখিল কৰে। একেটা আদেশক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত নিজাকৈ লেখ আপীল (২০০৯ চনৰ ২২৬ নং) দাখিল কৰে উত্তৰদাতাসকলে।

(x) ২০১২ চনৰ ২৫ জুলাইত উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ৰায় আৰু আদেশ জাৰি কৰে। আদালতে আপীলকাৰীৰ Back Wages দাবী নাকচ কৰিছিল যদিও নিৰ্দিষ্ট সময়ছোৱাত তেওঁক অন্যায়ভাৱে নিয়োগৰ পৰা বঞ্চিত কৰাৰ ক্ষতিপূৰণ হিচাপে ২৫ হাজাৰ টকা প্ৰদান কৰে। প্ৰতিপক্ষই দাখিল কৰা ২০০৯ চনৰ ২২৬ নং লেখ আবেদনো খাৰিজ কৰে আদালতে।

(xi) ২৫.০৭.২০১২ তাৰিখৰ আদেশত অসন্তুষ্ট হৈ আপীলকাৰীয়ে এই আদালতৰ সন্মুখত বিশেষ অনুমতি প্ৰাপ্তিৰ জৰিয়তে এই আবেদনখনক দাখিল কৰিছে।

(৪) দুয়োপক্ষৰ বিজ্ঞ অধিবক্তাৰ যুক্তি শুনা হ'ল।

(৫) এই গোচৰৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এইটো স্পষ্ট আৰু অবিতৰ্কিত যে ১৯৯৮ চনৰ ২২ মেত আবেদনকাৰীৰ পদত্যাগ স্বেচ্ছামূলক নাছিল। বিচাৰ আদালতে স্পষ্টভাৱে উল্লেখ কৰিছে যে আবেদনকাৰীৰ দৰমহা ঘূৰাই পোৱাৰ অধিকাৰ নাই কাৰণ প্ৰাসংগিক সময়ছোৱাত তেওঁ নিবনুৱা হৈ আছিল বুলি তেওঁৰ কোনো প্ৰমাণ নাই। বিবেচনা কৰিবলগীয়া বৰ্তমানৰ বিষয়টো হ'ল নিম্ন আদালতে আবেদনকাৰীক মজুৰি ঘূৰাই নিদিয়াকৈ ভুল কৰিছিল নেকি, বা আবেদনকাৰীয়ে ১৯৯৮ চনৰ ২৩ মেৰ পৰা ১৯৯ চনৰ ১৬ আগষ্টলৈকে তেওঁ দৰমহা পোৱাৰ যোগ্য বুলি পৰ্যাপ্তভাৱে প্ৰমাণ কৰিছে নেকি।

(৬) উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে আপীলকাৰীৰ পদত্যাগ স্বেচ্ছামূলক নহয় বুলি বিবেচনা কৰি তেওঁক পুনৰ চাকৰিলৈ নিযুক্তি দিবলৈ নিৰ্দেশ দিলে, কিন্তু তেওঁক Back Wages ঘূৰাই

নিদিলে। এই আদালতৰ সন্মুখত আপীলকাৰীৰ অধিবক্তাই যুক্তি দিছিল যে প্ৰতিপক্ষসকলে আপীলকাৰীক বিদ্যালয়ত নিজৰ কৰ্তব্য পালন কৰাত বাধা দিছিল। একেটা যুক্তি এজনীয়া বিচাৰপীঠৰ আগতও দিয়া হৈছিল, য'ত কোৱা হৈছিল যে প্ৰতিপক্ষসকলে আপীলকাৰীক বিদ্যালয়ত প্ৰৱেশ কৰিবলৈ দিয়া নাছিল। আপীলকাৰীয়ে দাবী কৰে যে প্ৰতিপক্ষসকলে তেওঁলোকৰ বাসগৃহত জোৰ-জবৰদস্তি কৰি, ভাবুকি দি, শাৰীৰিক শক্তিৰ প্ৰয়োগ কৰি তেওঁক পদত্যাগ পত্ৰত স্বাক্ষৰ কৰিবলৈ বাধ্য কৰিছিল আৰু তেওঁলোকে তেওঁক বলপূৰ্বকভাৱে বিদ্যালয়ত প্ৰৱেশ কৰাত বাধা দিছিল।

(৭) এই তথ্য প্ৰতিষ্ঠা হৈছে যে প্ৰতিপক্ষসকলৰ কাৰ্য্যৰ বাবে আপীলকাৰীয়ে বিদ্যালয়ত নিজৰ কৰ্তব্য পালন কৰা নাছিল। একেদৰে প্ৰশ্ন উত্থাপিত সময়ছোৱাত আপীলকাৰীজন নিবনুৱা আছিল বুলি কোনো প্ৰমাণ দিয়া হোৱা নাছিল। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠৰ বাবে উপলব্ধ একমাত্ৰ উপযুক্ত প্ৰতিকাৰ আছিল আপীলকাৰীক নিজৰ চাকৰি ঘূৰাই দিয়াৰ আদেশ দিয়া। আপীলকাৰীৰ পদত্যাগ স্বেচ্ছামূলক নহয় বুলি সযতনে নিৰ্ণয় কৰি ন্যায়াধীশে এই সিদ্ধান্ত গ্ৰহণ কৰে।

(৮) উচ্চ ন্যায়ালয়ে এজনীয়া বিচাৰপীঠে সমাধান নকৰা Back Wages-ৰ বিষয় আৰু উত্তৰদাতাসকলে দাখিল কৰা আপীল দুয়োটাকে সম্বোধন কৰে। দাখিল কৰা প্ৰমাণসমূহ ভালদৰে পৰীক্ষা কৰাৰ পিছত উচ্চ ন্যায়ালয়ে প্ৰতিপক্ষসকলে দাখিল কৰা আবেদন নাকচ কৰে। আদালতে সিদ্ধান্ত লয় যে পদত্যাগ স্বেচ্ছামূলক নহয়। আপীলকাৰীক মজুৰি ঘূৰাই নিদিয়াৰ পিছতো উচ্চ ন্যায়ালয়ে তেওঁক নিয়োগক অন্যায়ভাৱে বাতিল কৰাৰ ক্ষতিপূৰণ হিচাপে ২৫ হাজাৰ টকা প্ৰদান কৰে।

(৯) গোচৰৰ সবিশেষ আৰু পৰিস্থিতি বিবেচনা কৰাৰ পিছত আমি এই সিদ্ধান্তত সম্পূৰ্ণৰূপে সন্তুষ্ট যে আপীলকাৰীয়ে Back Wages লাভ কৰিব নালাগে। কেইবাটাও গোচৰত এই আদালতে ৰায় দিছিল যে Back Wages প্ৰদান কৰাটো বাধ্যতামূলক প্ৰয়োজনীয়তা নহয় বৰঞ্চ আদালতৰ বিবেচনাধীন। প্ৰতিটো গোচৰেই পৃথক আৰু ইয়াৰ নিৰ্দিষ্ট পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি বিবেচনা কৰিব লাগিব। সকলো ক্ষেত্ৰতে সাৰ্বজনীনভাৱে প্ৰযোজ্য কোনো নিৰ্দিষ্ট নিয়ম নাই। গতিকে, চাকৰি এটাত পুনৰ নিযুক্তি দিয়াৰ অৰ্থ স্বয়ংক্ৰিয়ভাৱে নহয় যে পুনৰ নিযুক্তিৰ পৰা পৃথকে Back Wages দিয়া হ'ব। মজুৰি ঘূৰাই দিয়া হ'ব নে নহয় সেইটো সিদ্ধান্ত লওঁতে আদালতে গোচৰৰ তথ্য বিবেচনা কৰিব লাগিব আৰু বিবেকৰ দ্বাৰা পৰিচালিত হৈ ন্যায়পৰায়ণ সিদ্ধান্ত ল'ব লাগিব।

(১০) চি.এন. মাল্লা বনাম জম্মু আৰু কাশ্মীৰ ৰাজ্য আৰু অন্যান্য (২০০৯) ৯ এছচিচি ৫৯৭ গোচৰত এই আদালতে নিম্নোক্ত ধৰণে ৰায় দিছে:-"

আইনী স্থিতি ধাৰাবাহিক সিদ্ধান্তৰ জৰিয়তে প্ৰতিষ্ঠা কৰা হৈছে। চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ আদেশ বেআইনী ঘোষণা কৰিলে মজুৰি সম্পূৰ্ণৰূপে ঘূৰাই দিয়াৰ নিৰ্দেশনা স্বয়ংক্ৰিয় নহয়। Back Wages প্ৰদানৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত এটা বিবেচনাধীন উপাদান জড়িত হৈ থাকে।আদালতে প্ৰতিটো গোচৰৰ নিৰ্দিষ্ট বিৱৰণ আৰু প্ৰসংগ লক্ষ্য কৰি নিজৰ বিবেচনাক যুক্তিসংগত আৰু ন্যায্যভাৱে ব্যৱহাৰ কৰিব লাগিব। প্ৰতিটো গোচৰ পৃথক আৰু ইয়াৰ নিজস্ব পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি বিবেচনা কৰিব লাগিব।

(১১) পূৰ্বৰ আলোচনাৰ ভিত্তিত আমি ধৰি লৈছো যে বিচাৰ আদালতসমূহে আপীলকাৰীয়ে Back Wages-ৰ অধিকাৰী নহয় বুলি সিদ্ধান্ত লোৱাটো শুদ্ধ আছিল কাৰণ তেওঁ ২৩.০৫.১৯৯৮ৰ পৰা ১৬.০৮.১৯৯৯ চনৰ ভিতৰত নিবনুৱা আছিল বুলি কোনো প্ৰমাণ পোৱা নাই। আনকি ইয়াত আপীলকাৰীৰ বিদ্বান অধিবক্তাইও এই আদালতৰ সন্মুখত স্বীকাৰ কৰিছে যে ১৯৯৮ চনৰ ২২ মে'ত নথিখনত স্বাক্ষৰ কৰাৰ পিছত আপীলকাৰীক নিজৰ কৰ্তব্য পালনৰ অনুমতি দিয়া হোৱা নাছিল।

(১২) গোচৰৰ বৰ্তমানৰ পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি আপীলকাৰীয়ে নিৰ্দিষ্ট সময়ছোৱাত তেওঁ নিবনুৱা আছিল বুলি প্ৰমাণ কৰিব পৰাকৈ কোনো প্ৰমাণ দিব পৰা নাই। ফলত তেওঁ সেই সময়ৰ বাবে Back Wages দিয়াৰ বাবে সফলতাৰে যুক্তি দাঙি ধৰিব পৰা নাই। যিহেতু আপীলকাৰীয়ে নিৰ্দিষ্ট সময়ছোৱাত স্কুলত যোৱা নাছিল, সেয়েহে সেই সময়ৰ বাবে তেওঁক মজুৰি ঘূৰাই দিব নোৱাৰিব। কিন্তু তেওঁক চাকৰি ঘূৰাই দিব লাগে আৰু ইয়াৰ লগত জড়িত আন যিকোনো সুবিধা লাভ কৰিব লাগে। যদিও Back Wages প্ৰদান কৰা নহয়, তথাপিও আপীলকাৰীয়ে উচ্চ ন্যায়ালয়ে প্ৰদান কৰা আন যিকোনো ধনৰ সৈতে অতিৰিক্ত ২৫,০০০ টকা লাভ কৰিব লাগে, অন্যায়ভাৱে সেৱা বাতিল কৰাৰ ক্ষতিপূৰণ হিচাপে।

ওপৰত উল্লেখ কৰা চৰ্তসমূহৰ ভিত্তিত আপীলৰ নিষ্পত্তি কৰা হয়।

................................................ন্যায়াধীশ

(ন্যায়াধীশ চেলেমেশ্বৰ)

ৰায়.....................................................ন্যায়াধীশ

(আৰ.কে. আগৰৱাল)

নতুন দিল্লী;

১২ জুলাই, ২০১৬।

অনুবাদক:

মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়